## স্থাপন কৰা হ'ব সুধাকণ্ঠৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি

# ছয়দুৱাৰ কলেজৰ সোণালী জয়ন্তী



নিয়মীয়া বাৰ্তা, হেলেম, ২৯ অক্টোবৰ ঃ গহপুৰ মহকুমাৰ একমাত্ৰ পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে মহাবিদ্যালয়খনৰ চৌহদত স্থাপন কৰা হ'ব সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ব্ৰঞ্জৰ আবক্ষ-প্ৰতিমূৰ্তি। অহা ১ নৱেম্বৰৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগা সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি গহপুৰ নগৰ সমিতিৰ তৰফৰ পৰা আগবঢ়োৱা হৈছে সুধাকণ্ঠৰ প্ৰতিমূৰ্তিটো। এই সন্দৰ্ভত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী তথা গহপুৰ নগৰ সমিতিৰ সভানেত্ৰী লীনা শইকীয়া বৰাই জানিবলৈ দিয়া মতে, অহা ১ নৱেম্বৰৰ পুৱা ১১ বজাত মহাবিদ্যালয়খনৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহৰ সন্মুখত স্থাপন কৰিবলগীয়া প্ৰতিমূৰ্তিটো উন্মোচন কৰিব আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন সঞ্চালক ড° সূৰ্য দাসে। সম্প্ৰতি গুৱাহাটীত সুপ্ৰতিষ্ঠিত গহপুৰৰ ভাস্কৰ্য শিল্পী দিলীপ ভূষণ শৰ্মাই প্ৰতিমূৰ্তিটোৰ নিৰ্মাণ আটকধুনীয়াকৈ প্ৰায় সম্পূৰ্ণ কৰি তোলা বুলিও গহপুৰ নগৰ সমিতিৰ সভানেত্ৰীগৰাকীয়ে জানিবলৈ দিছে। মহাবিদ্যালয়খনৰ চৌহদত সুধাকণ্ঠৰ ব্ৰঞ্জৰ আবক্ষ প্ৰতিমূৰ্তি স্থাপন কৰাৰ পদক্ষেপত গহপুৰ মহকুমাবাসী ৰাইজে আনন্দ প্ৰকাশ কৰি গহপুৰ নগৰ সমিতিৰ সভানেত্ৰী লীনা শইকীয়া বৰাৰ শিল্পীপ্ৰাণ মনৰ শলাগ লৈছে।